**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৱে কেৱল মহাকাশ ক্ষেত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়োৱাই নহয় বৰং দেশৰ সামাজিক-অৰ্থনৈতিক বিকাশতো বৰঙণি যোগাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ প'লেণ্ড ভ্ৰমণ সামৰি কিয়েভত উপস্থিত হৈছে। ইউক্ৰেইনত থকা ভাৰতীয় সমুদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ ধিঙত এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰা ঘটনাৰ তদন্ত কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিছে।

*আৰু*

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আমেৰিকা ভ্ৰমণৰ প্ৰথম দিনা ৱাশ্বিংটনত প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৱে কেৱল মহাকাশ ক্ষেত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়োৱাই নহয় বৰং দেশৰ সামাজিক-অৰ্থনৈতিক বিকাশতো বৰঙণি যোগাইছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ মূল অনুষ্ঠান মুকলি কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এনেদৰে উল্লেখ কৰে। তেওঁ কয় যে মহাকাশ অন্বেষণে মানুহৰ সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে কল্পনাক সত্যলৈ পৰিবৰ্তন কৰে তথা বিশ্বৰ বহু গোপন ৰহস্য উদ্ঘাটন কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাকাশ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে অতীতৰ সকলো প্ৰাচীৰ ভাঙি মহাকাশ খণ্ডক মুক্ত কৰি তুলিছে। তেওঁ উল্লেখ কৰে যে প্ৰায় ৭০ বছৰ ধৰি মহাকাশ খণ্ডই গোপনীয়তাৰ আঁৰত কাম কৰি আহিছে যি সম্পদ আৰু জ্ঞানৰ ক্ষেত্ৰক বঞ্চিত কৰিছে।

আনহাতে ইছৰ'ৰ অধ্যক্ষ এছ সোমনাথে কয় যে এইবাৰ সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে আৰু এই দিৱসত সকলো বিভাগ, মন্ত্ৰালয়, শিক্ষানুষ্ঠান, বিজ্ঞান প্ৰতিষ্ঠান, বে-চৰকাৰী সংস্থা তথা সৰ্বসাধাৰণ ৰাইজে অংশগ্ৰহণ কৰিছে। আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ইছৰ'ৰ ৰব'টিকছ প্ৰতিযোগিতা আৰু ভাৰতীয় অন্তৰীক্ষ হেকাথনৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে।

উল্লেখযোগ্য যে সমগ্ৰ দেশত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে Touching Lives while Touching the Moon: India's Space Saga অৰ্থাৎ চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা ঃ ভাৰতৰ মহাকাশ যাত্ৰা। এই বিষয়বস্তুৱে সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱক প্ৰতিফলিত কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ প'লেণ্ড ভ্ৰমণ সামৰি কিয়েভত উপস্থিত হৈছে। ইউক্ৰেইনত থকা ভাৰতীয় সমুদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলনস্কীৰ সৈতে বৈঠকত মিলিত হ'ব।

প্ৰধানমন্ত্ৰীয়ে ইউক্ৰেইন ভ্ৰমণৰ পূৰ্বে এটা বিবৃতিত কয় যে তেওঁ ৰাষ্ট্ৰপতি জেলনস্কীৰ সৈতে পূৰ্বে আলোচনা কৰা অনুসৰি দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ইউক্ৰেইনৰ সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধান সন্দৰ্ভত আলোচনা কৰিব।

উল্লেখযোগ্য যে ১৯৯২ চনত ভাৰত আৰু ইউক্ৰেইনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপন হোৱাৰ পাছত এয়া হৈছে ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো ইউক্ৰেইন ভ্ৰমণ। এই ভ্ৰমণকালত শ্ৰীমোদী আৰু ৰাষ্ট্ৰপতি জেলনস্কীয়ে অৰ্থনৈতিক আৰু বাণিজ্য সম্পৰ্ককে ধৰি সকলো প্ৰকাৰৰ দ্বিপাক্ষিক সম্পৰ্ক, কৃষি, আন্তঃগাঠনি, স্বাস্থ্য আৰু শিক্ষা, প্ৰতিৰক্ষা, সংস্কৃতি তথা জনসাধাৰণৰ মাজত সম্পৰ্ক আদি বিভিন্ন বিষয়ত আলোচনা কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ এই গুৰুত্বপূৰ্ণ ভ্ৰমণে দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰি তোলাত সহায় কৰিব।

০০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ ধিঙত এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰা ঘটনাৰ তদন্ত কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিছে। তেওঁ লগতে এই ঘটনাৰ দোষীৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত এই ঘটনাক মানৱতাৰ বিৰুদ্ধে অপৰাধ বুলি উল্লেখ কৰিছে। ইপিনে ছাত্ৰীগৰাকীৰ শাৰীৰিক অৱস্থা বৰ্তমান সুস্থিৰ বুলি নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকে জানিবলৈ দিছে। নগাওঁ জিলা প্ৰশাসনে ছাত্ৰীগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত যাতে কোনো ত্ৰুতি নাথাকে তাৰ বাবে নিৰ্দেশ দিছে। তদুপৰি জিলা আৰক্ষী বিভাগে সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি দোষীক কৰায়ত্ত কৰিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। জিলা প্ৰশাসনে জনসাধাৰণক শান্তি-শৃংখলা বজাই ৰাখি দোষীক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰা ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ হৈছে স্বাভাৱিকভাৱে মিত্ৰ ৰাষ্ট্ৰ আৰু দুয়োখন ৰাষ্ট্ৰ শক্তিশালী অংশীদাৰী হোৱাতো নিশ্চিত। আমেৰিকা ভ্ৰমণৰ প্ৰথম দিনা ৱাশ্বিং টনত প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি শ্ৰীসিঙে এনেদৰে কয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ৱাশ্বিংটন ডি চিত ভাৰতীয় সমুদায়ৰ লোকসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কয় যে ভাৰতীয় লোকসকলে নিজৰ সাংস্কৃতিক প্ৰমোল্য বজাই ৰাখি নিজ দেশৰ সৈতে সংযোজিত হৈ থকাটো অতি সুখৰ বিষয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ ভ্ৰমণকালত ভাৰত আৰু আমেৰিকাই যোগান ব্যৱস্থাৰ নথি-পত্ৰৰ নিৰাপত্তা অৰ্থাৎ **এছ অ' এছ** একে ধৰি আন এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে ভাৰত হৈছে আমেৰিকাৰ ১৮-সংখ্যক **এছ অ' এছ** এৰ অংশীদাৰী।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা সচিব লয়দ আষ্টিনৰ আমন্ত্ৰণ মৰ্মে কালি সন্ধিয়া চাৰিদিনীয়া আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণসূচীৰে ৱাশ্বিংটনত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁ আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে দ্বি-পাক্ষিক বৈঠকত মিলিত হোৱাৰ লগতে দেশখনৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক চুলিভানক সাক্ষাৎ কৰিব। শ্ৰী সিঙে লগতে আমেৰিকাৰ প্ৰতিৰক্ষা উদ্যোগৰ সৈতে বৰ্তমান চলি থকা তথা ভৱিষ্যতৰ প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে মহাৰাষ্ট্ৰৰ জলগাঁৱত ১১ লাখ লাখপতি বাইদেউক প্ৰমাণপত্ৰ বিতৰণ কৰিব। শ্ৰীমোদীয়ে লগতে বছৰি এক লাখ বা তাতকৈ অধিক ধন উপাৰ্জন কৰা লাখপতি বাইদেউসকলৰ সৈতে বাৰ্তালাপ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ২ হেজাৰ ৫০০ কোটি টকাৰ সমুদায় বিনিয়োগ পুঁজি মুকলি কৰিব। ইয়াৰ দ্বাৰা ৪ লাখ ৩ হাজাৰ আত্মসহায়ক গোটৰ প্ৰায় ৪৮ লাখ সদস্য উপকৃত হ'ব। শ্ৰীমোদীয়ে লগতে ৫ হাজাৰ কোটি টকাৰ এটা বেংক ঋণো মুকলি কৰিব। দেশৰ ৩৪খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলকে ধৰি ৩০ হাজাৰটা স্থানৰ লোকে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত অংশ ল'ব।

০০০O

আকাশবাণীৰ সঞ্চালক প্ৰধান মৌচুমী চক্ৰৱৰ্তী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান এল মধুনাগে আজি **এক পেড় মাকে নাম** কাৰ্যসূচীৰ অধীনত নতুন দিল্লীৰ আকাশবাণীৰ চৌহদত গছপুলি ৰোপণ কৰে। আকাশবাণীৰ আন আন বিষয়াসকলেও এই কাৰ্যসূচীৰ অধীনত প্ৰতিষ্ঠানৰ চৌহদত কেইবাটাও গছপুলি ৰোপণ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বছৰৰ বিশ্ব পৰিবেশ দিৱসৰ দিনা **এক পেৰ মাকে নাম** শীৰ্ষক অভিযান মুকলি কৰে। প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই সমগ্ৰ দেশতে গছপুলি ৰোপণ অভিযানত জনসাধাৰণে অতি উৎসাহেৰে এই কাৰ্যসূচীত অংশ লৈছে।

০০০০০০০০০

উষ্চতম ন্যায়ালয়ে আজি দিল্লী সুৰা নীতিৰ অভিযোগত কেন্দ্ৰীয় তদন্তকাৰী ব্যুৰো (চিবিআইয়ে) পঞ্জীয়ন কৰা গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাই বিচৰা জামিন আবেদনৰ শুনানি স্থগিত ৰাখে। চি. বি. আইয়ে গোচৰটোত প্ৰত্যুত্তৰ দাখিল কৰিবলৈ সময় বিচৰাৰ পিছতে এই শুনানি ৫ চেপ্টেম্বৰলৈ স্থগিত ৰখা হৈছে। ন্যায়াধীশ সূৰ্য কান্ত আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে দিল্লীৰ আদালতে অভিযুক্ত শ্ৰী কেজৰিৱালৰ ন্যায়িক জিম্মাৰ সময়সীমা ২৭ আগষ্টলৈকে বৃদ্ধি কৰিছিল।

উল্লেখযোগ্য যে চিবিআইয়ে আম আদমী পাৰ্টিৰ মুৰব্বীগৰাকীক ২০২৪ চনৰ ২৬ জুনত আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ কৰিছিল ।

00000

জ্যেষ্ঠ আই এ এছ বিষয়া শ্ৰী গোবিন্দ মোহনে আজি নতুন কেন্দ্ৰীয় গৃহ সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰী অজয় কুমাৰ ভল্লাৰ কালি কাৰ্যকাল সমাপ্ত হোৱাৰ পিছত তেওঁ এই কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখ যোগ্য যে ১৯৮৯ বৰ্ষৰ আই. এ. এছ. বিষয়া শ্ৰী মোহন ইয়াৰ পূৰ্বে সংস্কৃতি মন্ত্ৰালয়ৰ সচিবৰ দায়িত্বত আছিল।

০০০০০০০০০

**সমাপ্ত**